**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-04-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***

**:::::::::::::::::::::::::::::::::::::::::**

**Headlines**

১। ৰাজ্যৰ লোকসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ বাবে আজি মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন। এতিয়ালৈ ২৪ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ দাখিল।

২। লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজ্যজুৰি ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান। আজি ঢেকীয়াজুলিত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ।

৩। ৰাজ্যত সমাগত লোকসভা নিৰ্বাচন স্বচ্ছ আৰু নিয়াৰিকৈ পৰিচালনাৰ বাবে নিৰ্বাচন আয়োগৰ বিশেষ ব্যৱস্থা। এতিয়ালৈ নিৰাপত্তা বাহিনীৰ ৬০টা কোম্পানী নিয়োগ কৰা বুলি ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়াৰ প্ৰকাশ।

৪। পৰ্যটকৰ সংখ্যাৰে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ অভিলেখ। ২০২৩-২৪ বৰ্ষত ৩ লাখ ২৭ হাজাৰ ৪৯৩ গৰাকী পৰ্যটকৰ ৰাষ্ট্ৰীয় উদ্যানখনলৈ আগমন। *আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি গুজৰাট টাইটানছ পাঞ্জাব কিংছৰ মুখামুখি।

০০০০০০০

লোকসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ বাবে আজি মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন। দেশৰ ১২ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৮৮টা সংসদীয় সমষ্টিৰ বাবে এই পৰ্যায়ত অহা ২৬ এপ্ৰিলত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। এই সমষ্টিসমূহৰ ভিতৰত অসমৰ দৰং-ওদালগুৰি, ডিফু, কৰিমগঞ্জ, শিলচৰ আৰু নগাঁও লোকসভা সমষ্টিও আছে। ৰাজ্যত এই পৰ্যন্ত দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে ২৪ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছে। আই এন ডি আই মিত্ৰজোঁটৰ সমৰ্থিত ভাৰতীয় জাতীয় কংগ্ৰেছৰ মনোনীত প্ৰাৰ্থী হাফিজ ৰছিদ আহমেদ চৌধুৰীয়ে আজি কৰিমগঞ্জ সমষ্টিৰ বাবে মনোনয়ন পত্ৰ দাখিল কৰিব। ইপিনে নগাঁও সমষ্টিৰ পৰা বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী সুৰেশ বৰা আৰু দৰং-ওদালগুৰি সমষ্টিত দিলীপ শইকীয়ায়ো আজি মনোনয়ন পত্ৰ দাখিল কৰিব। উল্লেখযোগ্য যে কাইলৈ মনোনয়নপত্ৰসমূহ পৰীক্ষা কৰা হ'ব আৰু ৮ এপ্ৰিল মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিন।

০০০০০০০

সমাগত লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ বিভিন্ন স্থানত কালি শাসনাধিষ্ঠিত বিজেপি মিত্ৰজোঁটকে ধৰি অন্যান্য ৰাজনৈতিক দলসমূহে প্ৰচাৰ অব্যাহত ৰাখিছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি শোণিতপুৰ লোকসভা সমষ্টিৰ বিজেপি প্ৰাৰ্থী ৰঞ্জিত দত্তৰ হৈ ঢেকিয়াজুলিত প্ৰচাৰ চলাব।

মুখ্যমন্ত্ৰী ডঃ শৰ্মাই কালি কৰিমগঞ্জ মহাবিদ্যালয়ৰ খেলপথাৰত সমষ্টিটোৰ বিজেপি প্ৰাৰ্থী কৃপানাথ মল্লাৰ হৈ প্ৰচাৰ চলায়। নিজৰ ভাষণত মুখ্যমন্ত্ৰীয়ে বৰাক উপত্যকাৰ সামগ্ৰিক উন্নয়নৰ বাবে বিজেপিক ভোট

দিবলৈকে সকলোকে আহ্বান জনায়। আনহাতে, বিত্তমন্ত্ৰী অজন্তা নেওগে যোৰহাটত সমষ্টিটোৰ প্ৰাৰ্থী তপন কুমাৰ গগৈৰ সমৰ্থনত কেইবাখনো প্ৰচাৰ সভাত অংশ লয়। এই সভাকেইখনত বিধায়ক হিতেন্দ্ৰনাথ গোস্বামীৰ উপৰি বিজেপি আৰু অসম গণ পৰিষদৰ কেইবাগৰাকী জ্যেষ্ঠ নেতাই অংশ লয়। ইপিনে, যোৰহাট সমষ্টিৰ বিৰোধী ঐক্যমঞ্চৰ প্ৰাৰ্থী গৌৰৱ গগৈয়ে সমষ্টিটোৰ ছখনকৈ নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। ইপিনে, মন্ত্ৰী পীযুষ হাজৰিকাই যোৰহাট সমষ্টিৰ প্ৰাৰ্থীগৰাকীৰ হৈ সোণাৰি বিধানসভা সমষ্টিৰ লংপটীয়া, বেঙেনাবাৰী, নগাহাট, বৰহাট, আৰু চাহ বাগিচা অঞ্চলত প্ৰচাৰ চলায়।

ডিব্ৰুগড় লোকসভা সমষ্টিৰ বিজেপি প্ৰাৰ্থী, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে নাহৰকটীয়া বিধানসভা সমষ্টিত প্ৰচাৰ চলায়।

চিৰাং জিলাৰ বিভিন্ন অঞ্চলত কালি কোকৰাঝাৰ সমষ্টিৰ বিজেপি, অগপ আৰু ইউপিপিএল মিত্ৰজোঁটৰ প্ৰাৰ্থী জয়ন্ত বসুমতাৰীৰ সমৰ্থনত মটৰ চাইকেল সমদল উলিওৱা হয়। দলৰ কাৰ্যকৰী সভাপতি তথা ৰাজ্যসভাৰ সাংসদ ৰণগৌৰা নাৰ্জাৰীৰ লগতে মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মাই সমদলত অংশ লয়।

ইপিনে, তৃতীয় পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া বৰপেটা সমষ্টিত কালি চি পি আই এমৰ প্ৰাৰ্থী মনোৰঞ্জন তালুকদাৰে প্ৰচাৰ অভিযান চলায়। তদুপৰি, কংগ্ৰেছ দলৰ সভাপতি ভূপেন বৰাই ডিফুত দলৰ সমৰ্থকসকলক সাক্ষাৎ কৰে।

শোণিতপুৰ লোকসভা সমষ্টিৰ বিপিএফৰ প্ৰাৰ্থী ৰাজু দেউৰীয়ে গহপুৰত নিৰ্বাচনী প্ৰচাৰ চলায়। গহপুৰৰ খেৰণিগে'টত আয়োজিত প্ৰচাৰ কাৰ্যসূচীত ৪০ জন লোকে বিপিএফত যোগ দিয়ে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ১৭ এপ্ৰিলত লোকসভা নিৰ্বাচনৰ বাবে প্ৰচাৰ চলাবলৈ অসমলৈ আহিব। ৰাজ্যখনৰ তৃতীয় পৰ্যায়ত অনুষ্ঠিত হ'বলগীয়া বৰপেটা লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী ফণীভূষণ চৌধুৰীৰ হৈ এখন নিৰ্বাচনী সভাত প্ৰধানমন্ত্ৰীগৰাকীয়ে অংশগ্ৰহণ কৰিব। নলবাৰীৰ বৰকুৰাত অনুষ্ঠিত হ'বলগীয়া এই সভাত নামনি অসমৰ ৭খন জিলাৰ ১৬টা বিধানসভা সমষ্টিৰ ভোটাৰক প্ৰধানমন্ত্ৰী মোদীয়ে সম্বোধন কৰিব। উক্ত সভাখনত অন্যান্য কেন্দ্ৰীয় মন্ত্ৰীৰ লগতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মায়ো অংশগ্ৰহণ কৰিব। ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতাই সভাখন সুচাৰুৰূপে পৰিচালনা কৰিবলৈ বিশেষ পদক্ষেপ গ্ৰহণ কৰা বুলি জানিবলৈ দিছে।

০০০০০০০

ৰাজ্যত সমাগত লোকসভা নিৰ্বাচন স্বচ্ছ আৰু নিয়াৰিকৈ পৰিচালনাৰ বাবে নিৰ্বাচন আয়োগে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। এই অনুসৰি প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত ভোটদাতাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে ভোটগ্ৰহণ প্ৰক্ৰিয়া সুচাৰুৰূপে সম্পন্ন কৰিবলৈ আয়োগে নিৰাপত্তা আৰু অন্যান্য দিশসমূহো সুক্ষ্মভাৱে তদাৰক কৰি আছে। ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে কালি আকাশবাণীৰ দৃষ্টিপাত অনুষ্ঠানত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, এতিয়ালৈকে নিৰাপত্তা বাহিনীৰ ৬০ টা কোম্পানী নিয়োগৰ ব্যৱস্থা কৰা হৈছে আৰু আন্তৰাষ্ট্ৰীয় সীমান্তসমূহত জনসাধাৰণৰ আহ-যাহৰ ক্ষেত্ৰত চোকা দৃষ্টি ৰখা হৈছে। তেওঁ লগতে কয় যে, প্ৰথম আৰু দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে ভোটকেন্দ্ৰ সাল সলনি বা ভোটাৰ তালিকাত নাম সংশোধনী প্ৰক্ৰিয়াৰ সময় উকলি গৈছে যদিও তৃতীয় পৰ্যায়ত ভোট দিবলগীয়া ভোটদাতাসকলৰ বাবে এতিয়াও এই সুবিধা আছে। নিৰ্বাচনৰ মনোনয়ন দাখিলৰ অন্তিম দিনৰ পৰা ১০ দিন আগলৈকে এই সাল সলনিৰ সুবিধা থাকে বুলি মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে জানিবলৈ দিয়ে।

*ঃঃ ভইচ ঃঃ*

আনহাতে, ৮৫ বছৰ উৰ্ধৰ জ্যেষ্ঠ নাগৰিক আৰু ৪৫ শতাংশতকৈ অধিক শাৰিৰীক প্ৰতিবন্ধকতা থকা লোকসকলে ইচ্ছা কৰিলে নিজৰ বাসগৃহৰ পৰা ভোটদান কৰিব পাৰিব। এই সুবিধা কাইলৈৰ পৰা প্ৰদান কৰা হ'ব। ৰাজ্যখনত ৪ লাখ ৩৫ হাজাৰ নতুন ভোটদাতা আছে আৰু তেওঁলোকক সৰ্বোত্তম গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰাৰ বাবে উৎসাহিত কৰিবলৈ ভালেমান সজাগতামূলক কাৰ্যসূচী লোৱা হৈছে বুলিও শ্ৰীগোৱেলে প্ৰকাশ কৰে।

০০০০০০০

বিশ্ব ঐতিহ্যক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত পৰ্যটকৰ সংখ্যাই অভিলেখ গঢ়িছে। ২০২৩-২৪ বৰ্ষত ৰাষ্ট্ৰীয় উদ্যানখনত মুঠ ৩ লাখ ২৭ হাজাৰ ৪৯৩ গৰাকী পৰ্যটকৰ আগমন ঘটিছে। ইয়াৰে ভিতৰত ৩ লাখ ১৩ হাজাৰ ৫৭৪ গৰাকী দেশী আৰু ১৩ হাজাৰ ৯১৯ গৰাকী বিদেশী পৰ্যটক আছে। ২০২৩-২৪ বৰ্ষত পৰ্যটকৰ পৰা ৮ কোটি ৮১ লাখ ৮৪ হাজাৰ ১৬১ টকাৰ ৰাজহ সংগ্ৰহ হৈছে।

০০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে উত্তৰ-পূৰ্বাঞ্চলত দেওবাৰলৈকে ধুমুহা, বৰষুণ হ'ব পাৰে বুলি প্ৰকাশ কৰিছে। এই সময়ছোৱাত অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাত পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আনহাতে, অৰুণাচল প্ৰদেশত ধাৰাসাৰ বৰষুণ আৰু তুষাৰপাত হ'ব পাৰে বুলি বতৰ বিজ্ঞান বিভাগে আগলি বতৰা দিছে।

পৰৱৰ্তী ৫ দিনত দেশৰ পূব আৰু উপদ্বীপ অঞ্চলসমূহত গ্ৰীষ্ম প্ৰবাহৰ প্ৰকোপ অব্যাহত থাকিব পাৰে বুলিও বিভাগে আগলি বতৰা দিছে। এই সময়ছোৱাত কৰ্ণাটকৰ উত্তৰ অংশৰ দুৰ্গম এলেকা, পশ্চিমবংগৰ গংগা নৈৰ কাষৰীয়া অঞ্চল, ঝাৰখণ্ড, ওড়িশা, তেলেংগানা আৰু অন্ধ্ৰপ্ৰদেশৰ উপকূলীয় অঞ্চলসমূহত গ্ৰীষ্ম প্ৰবাহ থকাৰ আশংকা আছে। বতৰ বিজ্ঞান বিভাগে পৰৱৰ্তী ৩ দিনত পূব ভাৰতৰ ভালেমান ঠাইত সৰ্বোচ্চ তাপমাত্ৰা ২ৰ পৰা ৩ ডিগ্ৰী ছেলচিয়াচ বৃদ্ধি পাব পাৰে বুলি পূৰ্বানুমান প্ৰকাশ কৰিছে।

০০০০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ৭৬ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে কাইলৈ কটন বিশ্ববিদ্যালয়ৰ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা প্ৰেক্ষাগৃহত সন্ধিয়া ৫ বজাৰ পৰা এটা অনুষ্ঠানৰ আয়োজন কৰা হৈছে। ভাৰতৰ প্ৰাক্তন মুখ্য ন্যায়াধীশ ৰঞ্জন গগৈ অনুষ্ঠানটোত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশসকলৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰিব।

০০০০০০০০০

প্ৰাক্তন প্ৰধানমন্ত্ৰী ড০ মনমোহন সিঙে কালি ৰাজ্যসভাৰ পৰা অৱসৰ গ্ৰহণ কৰে। ১৯৯১ চনত প্ৰথমবাৰৰ বাবে অসমৰ পৰা তেওঁ ৰাজ্যসভালৈ নিৰ্বাচিত হৈছিল আৰু প্ৰধানমন্ত্ৰী পি ভি নৰসিংহ ৰাও চৰকাৰত বিত্তমন্ত্ৰীৰূপে কাৰ্যনিৰ্বাহ কৰিছিল। আনহাতে ২০১৯ চনত তেওঁ ৰাজস্থানৰ পৰা ৰাজ্যসভালৈ নিৰ্বাচিত হৈছিল। বিশিষ্ট অৰ্থনীতিবিদ ড০ মনমোহন সিং ২০০৪ চনৰ পৰা ২০১৪ চনলৈ দেশৰ প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰে। উল্লেখযোগ্য যে সিঙকে ধৰি ৰাজ্যসভাৰ মুঠ ৫৪ জন সাংসদৰ কাৰ্যকাল অন্ত পৰিছে। ইয়াৰ ভিতৰত আছে শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধান, স্বাস্থ্যমন্ত্ৰী মনসুখ মন্দাভিয়া, পশুপালন মন্ত্ৰী পুৰুষোত্তম ৰূপালা আদি।

০০০০০০০০০

বঙাইগাঁও জিলাৰ অভয়াপুৰীত কালি আৰক্ষীয়ে ড্ৰাগছ বিৰোধী অভিযান চলাই ২৫ টা হেৰ'ইন ভৰ্তি কণ্টেইনাৰসহ এটা সৰবৰাহকাৰীক আটক কৰে। ধৃত সৰবৰাহকাৰীটো অভয়াপুৰীৰ ডুমুৰীয়া তৃতীয় খণ্ডৰ জাকিৰ

আলী বুলি জানিব পৰা গৈছে। আনহাতে, নগাঁৱৰ ৰূপহীহাটত আৰক্ষীয়ে অভিযান চলাই তিনিটা ড্ৰাগছ্ ভৰ্তি চাবোনৰ বাকচসহ মণিৰুদ্দিন নামৰ সৰবৰাহকাৰীক আটক কৰে।

ইফালে, লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত গঠন কৰা নিৰীক্ষণকাৰী দলে কালি কামৰূপ জিলাৰ ছয়গাঁৱৰ কালাতলীত বুজন পৰিমাণৰ মাদক দ্ৰব্যৰ সৈতে দুজন লোকক আটক কৰে। আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰা মতে, ধৃত লোক দুজনৰ পৰা ২০টা মাদক দ্ৰব্যভৰ্তি টেমা, ম'বাইল ফোন আৰু এখন মটৰ চাইকেল জব্দ কৰা হৈছে। লোক দুজনক ছয়গাঁও থানাত গতাই দিয়া হৈছে। ইপিনে, গোলাঘাট আৰক্ষীয়ে কালি বগৰীজেঙৰ আৰক্ষী ছাউনী খেলপথাৰত বুজন পৰিমাণৰ মাদক দ্ৰব্য দাহ কৰে। জিলা আৰক্ষী অধীক্ষক, অপৰাধ শাখাৰ উপ আৰক্ষী অধীক্ষকৰ উপৰি আবকাৰী বিষয়াৰ উপস্থিতিত ২ কোটি ৯৩ লাখ টকাৰো অধিক মূল্যৰ প্ৰায় ডেৰ কিলোগ্ৰাম হেৰ'ইন দাহ কৰা হয়।

০০০০০০০০০

আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত আজি আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত গুজৰাট টাইটানছ্ পাঞ্জাব কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ইফালে, কলকাতা নাইট ৰাইডাৰ্ছে যোৱানিশা বিশাখাপট্টনমত অনুষ্ঠিত এখন খেলত দেলহি কেপিটেলছক ১০৬ ৰানত পৰাস্ত কৰে। খেলখনত কলকাতা নাইট ৰাইডাৰ্ছে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ২৭২ ৰান কৰে। কলকাতাৰ হৈ সুনীল নাৰায়ণে ৩৯টা বলত ৮৫ ৰান আৰু অংকৃষ ৰঘুবংশীয়ে ২৭টা বলত ৫৪ ৰান কৰে। প্ৰত্যুত্তৰত দেলহি কেপিটেলছে ২৭৩ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৭ অভাৰ আৰু দুটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৬৬ ৰানহে কৰিবলৈ সমৰ্থ হয়। দিল্লীৰ হৈ অধিনায়ক ঋষভ পণ্টে ২৫টা বলত ৫৫ ৰান ট্ৰিষ্টন ষ্টৱ্‌সে ৩২টা বলত ৫৪ ৰানৰ বৰঙণি আগবঢ়ায়।

০০০০০০০০০

## Newspaper Review (04-04-2024, Morn.)

দক্ষিণ এছিয় দেশৰ অৰ্থনীতিক লৈ পূৰ্বাভাস দিয়া বিশ্ববেংকৰ প্ৰতিবেদন মতে ২০২৪-ত ভাৰতৰ অৰ্থনীতি ৭ দশমিক ৫ শতাংশ বৃদ্ধি পাব। ইয়াৰ পূৰ্বে বিশ্ববেংকে ভাৰতৰ ২০২৪ৰ অৰ্থনীতি ৬ দশমিক ৩ শতাংশ বৃদ্ধি হ'ব বুলি পূৰ্বাভাস দিছিল। এয়া **নিয়মীয়া বাৰ্তা** কাকতৰ মুখ্য বাতৰি। ভূপৃষ্ঠৰ পৰা ৭০০ কিলোমিটাৰ গভীৰত এখন মহাসমুদ্ৰ লুকাই আছে। এই মহাসমুদ্ৰৰ জলধাৰাৰ বিশালতাই ভূপৃষ্ঠৰ আটাইকেইখন মহাসাগৰৰ মুঠ জলৰাশিক হেলাৰঙে চেৰ পেলাব। ডি হাইড্ৰেচন মেল্টিং এট দ্য ল'ৱাৰ মেণ্টেল শীৰ্ষক বৈজ্ঞানিক গৱেষণা পত্ৰত এই কথা প্ৰকাশ পাইছে। **অসমীয়া খবৰ** কাকতে গুৰুত্ব সহকাৰে এই বাতৰি প্ৰকাশ কৰিছে। ইউ এছ নিউজে প্ৰকাশ কৰা এখন তালিকা অনুসৰি বিশ্বৰ আটাইতকৈ শক্তিশালী দেশৰ তালিকাত দ্বাদশ স্থানত আছে ভাৰত। এই তালিকাত শীৰ্ষ স্থানত আমেৰিকা আছে। **দৈনিক জনমভূমি** কাকতত এই বাতৰিয়ে গুৰুত্ব লাভ কৰিছে। ফ'ৰ্বছৰ বিশ্বৰ ধনাঢ্যৰ তালিকা মতে ২০২৪ চনত ভাৰতৰ বিলিয়নেয়াৰ অৰ্থাৎ আৰৱপতিৰ সংখ্যা পূৰ্বৰ ১৬৯ জনৰ পৰা ২০০ জনলৈ বৃদ্ধি হৈছে। তালিকামতে ভাৰত আৰু এছিয়াৰ আটাইতকৈ ধনী ব্যক্তি হিচাপে মুকেশ আম্বানী পৰিগণিত হৈছে। **অসমীয়া প্ৰতিদিন** কাকতে এই বাতৰি প্ৰকাশ কৰিছে। কেন্দ্ৰীয় চৰকাৰৰ বিত্ত মন্ত্ৰালয়ৰ তথ্য মতে ২০২৩-২৪ বিত্তীয় বৰ্ষত অসমত ১৫ হাজাৰ ২৪৫ কোটি টকা জি এছ টি সংগ্ৰহ হৈছে। তথ্য অনুসৰি ২০২৩ চনৰ এপ্ৰিল মাহত অসমত এহেজাৰ ৫১৩ কোটি টকাৰ জি এছ টি সংগ্ৰহ হৈছিল। **দৈনিক অসম** কাকতে এই বাতৰি প্ৰকাশ কৰিছে। সমাগত লোকসভা নিৰ্বাচনৰ পাছতে ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ আৰু সালসলনি কৰা হ'ব। মন্ত্ৰীসভাৰ সদস্যৰ সংখ্যা বৃদ্ধিৰ বাবে অচিৰেই মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ ঘটোৱা হ'ব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সদৰি কৰাৰ বাতৰি **দৈনিক অগ্ৰদূত** কাকতত প্ৰকাশ হৈছে। এ পি এছ চি কেলেংকাৰীত এগৰাকী অভিযুক্ত নিয়োগ বিষয়া

মৃদুল হাজৰিকাক চি আই ডিৰ মুখ্য কাৰ্যালয়ত এছ আই টিয়ে জেৰা কৰাৰ বাতৰি **আমাৰ অসম** কাকতে প্ৰকাশ কৰিছে। ৭ দশমিক ৪ প্ৰাৱল্যৰ ভূমিকম্পই দ্বীপৰাষ্ট্ৰ টাইৱানক জোঁকাৰি যোৱাৰ বাতৰি **The Assam Tribune** কাকতত আলোকচিত্ৰসহ প্ৰকাশ হৈছে। ৰাজ্য চৰকাৰে নীলাচল পাহাৰত নিৰ্মাণ কৰিবলগীয়া প্ৰস্তাৱিত মা কামাখ্যা মন্দিৰ কৰিড'ৰৰ বিষয় সন্দৰ্ভত শ্বেতপত্ৰ প্ৰকাশ কৰাৰ লগতে আন কেইবাটাও বিষয়ক লৈ গুৱাহাটী উচ্চ ন্যায়ালয়ত এখন ৰাজহুৱা স্বাৰ্থজনিত আবেদন দাখিল কৰা হৈছে। এয়া **The Sentinel** কাকতত প্ৰকাশিত বাতৰি।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – মোদীৰ ওপৰত বিশ্বাস থকাসকলে নিশ্চয় বিজেপিক ভোট দিবঃ মুখ্যমন্ত্ৰী, ই ভি এমত পৰা ভোটৰ লগত ভি ভি পেটৰ সকলো শ্লিপ গণনা কৰাৰ আৰ্জি, আৰ্হিমূলক বৃন্দাবনী বস্ত্ৰৰ উন্মোচন, ঘগ্ৰাপাৰত উৎকোচ লৈ ধৰা পৰিল লাটমণ্ডল, দৰং-ওদালগুৰিৰ ২ নিৰ্বাচনী বিষয়াক অপসাৰণ ইত্যাদি। এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০০০০

গ্ৰীষ্মকালত গৰমৰ প্ৰকোপৰ পৰা হ'ব পৰা ৰোগৰ ব্যৱস্থাপনাৰ প্ৰস্তুতিৰ পৰ্যালোচনা চলোৱাৰ উদ্দেশ্যে কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী ডং মনসুখ মন্দাভিয়াৰ অধ্যক্ষতাত কালি এখন বৈঠক অনুষ্ঠিত হয়। তৃণমূল পৰ্যায়ত সঠিক তথ্যৰ অভাৱৰ কথা উল্লেখ কৰি ডং মন্দাভিয়াই ৰাজ্যসমূহৰ পৰা লাভ কৰা তথ্যৰে এটা কেন্দ্ৰীয় তথ্য ভাণ্ডাৰ গঢ়ি তোলাৰ আৱশ্যকতাত গুৰুত্ব আৰোপ কৰে। ৰাজ্যসমূহে ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ আগলি বতৰা লাভ কৰাৰ লগে লগে ব্যৱস্থা গ্ৰহণৰ ওপৰতো তেওঁ গুৰুত্ব প্ৰদান কৰে। ডং মন্দাভিয়াই কয় যে, সতৰ্কতামূলক ব্যৱস্থা সম্পৰ্কে জনসাধাৰণৰ মাজত সময়মতে আৰু ব্যাপক সজাগতা সৃষ্টি কৰিব পাৰিলে গ্ৰীষ্মপ্ৰবাহৰ প্ৰভাৱ কম কৰাত সহায়ক হ'ব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে লগতে গৰমৰ পৰা হোৱা ৰোগৰ সু-ব্যৱস্থাপনাৰ ক্ষেত্ৰত উন্নত সমন্বয়ৰ বাবে ৰাজ্যসমূহৰ সৈতে বৈঠকত মিলিত হ'বলৈ জ্যেষ্ঠ বিষয়াসকলক পৰামৰ্শ আগবঢ়ায়। পাছত নতুন দিল্লীত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত ডং মনসুখ মন্দাভিয়াই কয় যে, গ্ৰীষ্ম প্ৰৱাহ আৰু ষ্ট্ৰোকৰ পৰা ৰক্ষা পৰাৰ বাবে কৃষক, নিৰ্মাণকাৰ্যত নিয়োজিত শ্ৰমিক আৰু নিৰ্বাচনী কাম-কাজত নিয়োজিত তথা প্ৰচাৰ অভিযানত জড়িত ব্যক্তিসকলক পৰ্যাপ্ত পৰিমাণে পানী গ্ৰহণ কৰিবলৈ পৰামৰ্শ আগবঢ়োৱা হৈছে। মন্ত্ৰীগৰাকীয়ে কয় যে তেওঁলোকে দেহত পানীৰ মাত্ৰা বৰ্তাই ৰখাৰ বাবে ফলৰ ৰস, নেমুৰ ৰস আৰু বতৰৰ ফলো গ্ৰহণ কৰিব পাৰে। তেওঁ লগতে কয় যে, ৰাজ্যসমূহক এলানি পৰামৰ্শযোগে আয়ুষ্মান আৰোগ্য মন্দিৰসমূহত গৰমৰ পৰা হ'ব পৰা ৰোগৰ চিকিৎসাৰ বাবে সঠিক ব্যৱস্থা কৰিবলৈ কোৱা হৈছে।

০০০০০০০০০

**সমাপ্ত**